# REGIONAL NEWS UNIT
## AKASHVANI : GUWAHATI
0000000000

**Date :** 11-03-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::: :::::::::::::::**

১। অসম বিধানসভাত আজি ২০২৪-২৫ বৰ্ষৰ সাধাৰণ বাজেটক লৈ আলোচনা। ৰাজ্যখনৰ মূলধনী ব্যয় পূৰ্বৰ তুলনাত যথেষ্ট বৃদ্ধি হৈছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। ৰাভা-হাচং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে কামৰূপ আৰু গোৱালপাৰা জিলাত কমেও দহটা সমষ্টিত অগপৰ প্ৰাৰ্থীত্ব প্ৰদানৰ সিদ্ধান্ত।

৩। একাংশ সাংসদ আৰু বিধায়কৰ বিৰুদ্ধে জিলা আদালতত ৰুজু হৈ থকা ফৌজদাৰী গোচৰসমূহৰ তালিকা প্ৰস্তুত কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ।

৪। বৰপেটা জিলা আৰু চেছন ন্যায়াধীশৰ আদালতে আজি হত্যাৰ গোচৰত অভিযুক্ত ৪ জন লোকক যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় প্ৰদান। ***আৰু***

৫। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহত এহেজাৰ ৮৮৮ গৰাকী শিক্ষাৰ্থীক ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যৰ ডিগ্ৰীৰ প্ৰমাণপত্ৰ প্ৰদান।

০০০০

অসম বিধানসভাত আজি ২০২৪-২৫ বৰ্ষৰ সাধাৰণ বাজেটক লৈ আলোচনা অনুষ্ঠিত হয়। আলোচনাত ভাগ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে ৰাজ্যখনৰ মূলধনী ব্যয় বৰ্তমান যথেষ্ট বৃদ্ধি হৈছে। ২০১৫-১৬ বৰ্ষত এই ব্যয় ২ হাজাৰ ৯৫১ কোটি আছিল বুলি উল্লেখ কৰি তেওঁ কয়, যে ২০২৪-২৫ বৰ্ষত এই পৰিমাণ ২৪ হাজাৰ ৯৬৪ কোটি টকালৈ বৃদ্ধি হৈছে। ইয়াৰ ফলস্বৰূপে ৰাজ্যখন মূলধনী ব্যয়ৰ ক্ষেত্ৰত দেশৰ আগশাৰীৰ ৰাজ্যসমূহৰ ভিতৰত এখন অন্যতম ৰাজ্য হ'বলৈ সাজু হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ দেশৰ বৰ্তমান সামগ্ৰিক বিকাশৰ হাৰ ৯ শতাংশৰ তুলনাত অসমৰ বিকাশৰ হাৰ ১৪ৰ পৰা ১৫ শতাংশ বুলি উল্লেখ কৰে। ৰাজ্য চৰকাৰৰ ধবজাবাহী আঁচনি অৰুণোদয়ৰ জৰিয়তে তৃণমূল পৰ্য্যায়ত অৰ্থনীতিৰ বিকাশ ঘটিছে বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে দেশৰ প্ৰায় ৫ খন ৰাজ্যই অৰুণোদয় আঁচনিৰ দ্বাৰা অনুপ্ৰাণিত হৈ এনেধৰণৰ আঁচনি ৰূপায়ণ কৰিছে। তেওঁ কয়, যে ৰাজ্যৰ ১৭টা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান বৰ্তমান সময়ত লাভজনক পৰ্যায়ত আছে আৰু এই প্ৰতিষ্ঠানসমূহে সামূহিক মুঠ সম্পদত প্ৰায় ৪০ হাজাৰ কোটি টকাৰ অৰিহনা যোগাইছে। ৰাজ্য চৰকাৰে মহানগৰৰ সংখ্যা বৃদ্ধি কৰাৰ প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় জিলাক অসমৰ দ্বিতীয়খন ৰাজধানী হিচাপে গঢ়ি তোলাৰ পৰিকল্পনাৰ কথা প্ৰকাশ কৰে।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিক লৈ বিৰোধীয়ে সমালোচনা কৰাৰ বিষয়ত অসন্তুষ্টি প্ৰকাশ কৰি ড০ শৰ্মাই কয়, যে এই আঁচনি ৰূপায়ণৰ ফলত স্নাতক প্ৰথম বৰ্ষত নামভৰ্তি কৰা কোনো এগৰাকী ছাত্ৰীয়ে আধাতে কলেজ এৰিবলগীয়া হোৱা নাই। আঁচনিখনৰ দ্বিতীয় পৰ্যায়ত ইয়াৰ সুবিধাসমূহ আৰু অধিক সম্প্ৰসাৰিত কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে স্নাতক হোৱাৰ পাছত যুৱক-যুৱতীসকলৰ জীৱন সংগ্ৰামৰ কথা উল্লেখ কৰি কয়, যে নিয়োগৰ সন্ধানত থকা যুৱক-যুৱতীসকলক বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সময়ছোৱাত আৰ্থিক সকাহ প্ৰদানৰ বাবে চৰকাৰে পৰিকল্পনা

লৈছে। এতিয়াৰে পৰা এনে যুৱক-যুৱতীসকলক জীৱন প্ৰেৰণা আঁচনিৰ অধীনত প্ৰতিমাহে ২ হাজাৰ ৫০০ টকাকৈ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

০০০০

ৰাজ্যত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত জিলা পৰিষদ পৰ্যায়ত ৫৯৪টা আৰু উন্নয়ন খণ্ড পৰ্যায়ত ২ হাজাৰ ৭১০টা পদ খালী হৈ আছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি বিধানসভাত বিধায়ক জাকিৰ হুছেইন সিকদাৰৰ এটা প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে খালী হৈ থকা পদসমূহ প্ৰয়োজন সাপেক্ষে পূৰণ কৰাৰ লগতে পৰ্যায়ক্ৰমে পদোন্নতিৰ ব্যৱস্থা কৰা হ'ব। বিভাগটোৰ অধীনত বৰ্তমান ৭ হাজাৰ ৫৮৭ জন ঠিকাভিত্তিক কৰ্মচাৰী বিভিন্ন পৰ্যায়ত কৰ্মৰত হৈ আছে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ সংগ্ৰহ আৰু দাখিল প্ৰক্ৰিয়া কালিৰে পৰা চলি আছে। পৰিষদৰ অন্তৰ্গত গোৱালপাৰা জিলাৰ ২০টা সমষ্টিৰ বাবে মনোনয়ন পত্ৰ বিতৰণ আৰু গ্ৰহণৰ বাবে জিলা প্ৰশাসনে নিয়াৰিকৈ ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ইচ্ছুক ব্যক্তিয়ে জিলাখনৰ আয়ুক্তৰ কাৰ্যালয়ৰ পৰা মনোনয়ন পত্ৰ সংগ্ৰহ কৰি দাখিল কৰিব পাৰিব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে। পৰিষদৰ নিৰ্বাচনত অসম গণ পৰিষদ দলে কামৰূপ আৰু গোৱালপাৰা জিলাত কমেও ১০টা সমষ্টিত প্ৰাৰ্থিত্ব প্ৰদান কৰিব। বকো-ছয়গাঁও সমষ্টিৰ দলৰ কাৰ্যালয়ত কালি অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। বাকী সমষ্টিসমূহত দলে এন ডি এৰ প্ৰাৰ্থীক সমৰ্থন আগবঢ়াব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে। এই সন্দৰ্ভত দলৰ নেতা তথা ৰাজ্যৰ প্ৰাক্তন মন্ত্ৰী ডাঃ কমলাকান্ত কলিতাই এইদৰে কয়-

**বাইট (ডাঃ কমলাকান্ত কলিতা)**

০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে একাংশ সাংসদ আৰু বিধায়কৰ বিৰুদ্ধে জিলা আদালতসমূহত ৰুজু হৈ থকা ফৌজদাৰী গোচৰসমূহৰ নিষ্পত্তি প্ৰক্ৰিয়া কিয় খৰতকীয়া হোৱা নাই সেই সন্দৰ্ভত সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা প্ৰতিবেদন বিচাৰিবলৈ আজি পঞ্জীয়কক নিৰ্দেশ দিছে। দীৰ্ঘদিন ধৰি শুনানি চলি থকা এটা নিজাববীয়া গোচৰৰ শুনানিলৈ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণুই আৰু ন্যায়াধীশ অৰুণ দেৱ চৌধুৰীৰ খণ্ড বিচাৰপীঠে এই নিৰ্দেশ দিয়ে। আজিৰ শুনানিকালত জিলা আদালতসমূহত একাংশ সাংসদ-বিধায়কৰ বিৰুদ্ধে ৰুজু হৈ থকা গোচৰৰ নিষ্পত্তি প্ৰক্ৰিয়া বিভিন্ন পৰ্যায়ত ৰৈ যোৱাটো ন্যায়ালয়ৰ দৃষ্টিগোচৰ হয়। এই বিষয়টো সন্দৰ্ভত প্ৰতিবেদন তলৱ কৰিবলৈ ন্যায়ালয়ে নিৰ্দেশ দিয়াৰ উপৰি সাক্ষ্য দাখিল পৰ্যায়ত ৰৈ যোৱা কেইবাটাও গোচৰ সন্দৰ্ভতো প্ৰতিবেদন দাখিল কৰিবলৈ ন্যায়ালয়ে নিৰ্দেশ জাৰি কৰে। উল্লেখযোগ্য যে উচ্চ ন্যায়ালয়ৰ স্থগিতাদেশৰ ফলতো সাংসদ-বিধায়কৰ বিৰুদ্ধে ৰুজু হৈ থকা কেতবোৰ গোচৰৰ অগ্ৰগতি হোৱা নাই। এই বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি ন্যায়ালয়ে আজি শুনানিকালত এনে স্থগিতাদেশ থকা গোচৰৰ তালিকা প্ৰস্তুত কৰি দাখিল কৰিবলৈ নিৰ্দেশনাত উল্লেখ কৰে।

০০০০

বৰপেটা জিলা আৰু চেছন ন্যায়াধীশৰ আদালতে আজি হত্যাৰ গোচৰত অভিযুক্ত ৪ জন লোকক যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় প্ৰদান কৰে। আদালতে ২০২২ চনত নজৰুল ইছলাম নামৰ এজন লোকক হত্যা কৰাৰ অপৰাধত আজিমুদ্দিন, আমিদুল ইচলাম, ৰহিম বাদশ্বাহ আৰু আব্দুল গণিক এই শাস্তি বিহে। সৰ্থেবাৰী আৰক্ষী থানাত এই ঘটনা সন্দৰ্ভত ভুক্তভোগী পৰিয়ালে গোটৰ ৰুজু কৰিছিল। কেইবালানি শুনানিৰ অন্তত আজি আদালতে গোচৰটোৰ ৰায় প্ৰদান কৰে।

০০০০

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যৰ পৌৰহিত্যত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আজি ত্ৰয়োবিংশতিতম দীক্ষান্ত সমাৰোহ অনুষ্ঠিত হয়। অসমীয়া ডাটা আধুনিকীকৰণ আৰু কৃত্ৰিম বুদ্ধিমত্তা বিশেষজ্ঞ, চলচ্চিত্ৰ নিৰ্মাতা তথা কেলিফৰ্ণিয়াত কৰ্মৰত ডঃ ৰূপম শৰ্মাই সমাৰোহত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে। ৰাজ্যপালগৰাকীয়ে ভাষণ প্ৰসংগত বৰ্তমান সময়ত শিক্ষাৰ ক্ষেত্ৰত সন্মুখীন

হোৱা প্ৰত্যাহ্বান আৰু নতুন পদ্ধতিৰে কিদৰে নিজৰ লগতে সমাজখনক আগুৱাই লৈ যাব পাৰি সেই সন্দৰ্ভত আলোকপাত কৰে। ভাষাবিদ নাহেন্দ্ৰ পাড়ুনক সমাৰোহত সন্মানীয় ডি. লীট উপাধি প্ৰদান কৰা হয়। প্লাজমা বিজ্ঞানী ডঃ জয়ন্তী চুতীয়াক সন্মানীয় ডি এছ্ চি উপাধি প্ৰদান কৰা হয়। সমাৰোহত এহেজাৰ ৮৮৮ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান কৰা হয়। ১১৪ গৰাকী গৱেষক শিক্ষাৰ্থীক ডক্টৰেট ডিগ্ৰী প্ৰদান কৰাৰ লগতে ৩৮ গৰাকী কৃতি শিক্ষাৰ্থীক স্বৰ্ণ পদক প্ৰদান কৰা হয়। ৰাজ্যপালে মুঠ ৩৫ গৰাকী শ্ৰেষ্ঠ স্নাতকোত্তৰ শিক্ষাৰ্থীক স্বৰ্ণ পদক প্ৰদান কৰে। সমাৰোহত ৩ গৰাকী কৃতি শিক্ষাৰ্থীক বিজ্ঞান, কলা আৰু বাণিজ্য শাখাৰ শ্ৰেষ্ঠ স্নাতকৰ স্বৰ্ণ পদক প্ৰদান কৰা হয়।

০০০০

ৰাজ্যৰ কৃষি বিভাগৰ উদ্যোগত অহা ১৭ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ গুৱাহাটীৰ পাঞ্জাবাৰীৰ শিল্পগ্ৰামত কৃষক উৎপাদক সংস্থাৰ মেলাৰ আয়োজন কৰা হৈছে। অসম ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'টিয়ামৰ সহযোগত আয়োজিত এই মেলাত ৪০টা বাছনিপ্ৰাপ্ত কৃষক উৎপাদক সংস্থাই অংশগ্ৰহণ কৰিব। এই মেলাত সংস্থাসমূহৰ দ্বাৰা উৎপাদিত সামগ্ৰী প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। এই মেলাৰ জৰিয়তে কৃষক উৎপাদক সংস্থাসমূহৰ বাণিজ্যিকীকৰণ আৰু ব্ৰেণ্ডিঙৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ জৰিয়তে এই সংস্থাসমূহৰ সামৰ্থ বিকাশ, বিত্তীয় ব্যৱস্থাপনাৰ ক্ষেত্ৰত প্ৰশিক্ষণ প্ৰদানৰ লগতে কৃষকসকলৰ অভিজ্ঞতা বিনিময়ৰো দিহা কৰা হৈছে।

০০০০

জিলা কৃষি বিভাগৰ উদ্যোগত আৰু প্ৰশাসনৰ সহযোগত আজিৰে পৰা মৰিগাওঁত দুদিনীয়াকৈ কৃষক মেলা অনুষ্ঠিত হৈছে। কৃষক মেলাৰ সৈতে সংগতি ৰাখি আয়োজিত মত বিনিময় কাৰ্যসূচীত জিলাখনৰ কৃষিখণ্ডৰ উত্তৰণ, কৃষি বিভাগৰ বিভিন্ন আঁচনি, কৃষকৰ আয় আৰু উৎপাদন বৃদ্ধি আদি সম্পৰ্কে বিশদভাৱে আলোকপাত কৰা হয়। এই কৃষক মেলাত কৃষি উদ্যান শস্যৰ প্ৰদৰ্শনী বিভিন্ন বিভাগৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ প্ৰদৰ্শন, কাৰিকৰী বিষয় সম্পৰ্কীয় আলোচনাচক্ৰ, আধুনিক কৃষিযন্ত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত হৈছে। কৃষক মেলাৰ প্ৰথম দিনাৰ কাৰ্যসূচীৰ অংশ হিচাপে কৃষক বিজ্ঞানীৰ মত বিনিময় কাৰ্যসূচী আয়োজন কৰাৰ লগতে কৃষি বিজ্ঞানীসকলৰ দ্বাৰা কাঠফুলা খেতি সম্পৰ্কে কাৰিকৰী প্ৰশিক্ষণ আগবঢ়োৱা হয়।

০০০০

সমাগত দৌল উৎসৱ আৰু ৰঙৰ উৎসৱ ফাকুৱাৰ বাবে ৰাজ্যজুৰি ব্যাপক আয়োজন চলিছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দৌল উৎসৱক কেন্দ্ৰ কৰি উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। বৰপেটা সত্ৰত পৰহিলৈৰ পৰা চাৰিদিনীয়াকৈ দৌল উৎসৱৰ আয়োজন কৰা হৈছে। পৰহিলৈ গোন্ধ যাত্ৰা, ১৪ আৰু ১৫ মাৰ্চত ভৰ দৌল আৰু ১৬ মাৰ্চত সত্ৰ চৌহদত সুঁৱেৰি বা ফাকুৱা উদযাপন কৰা হ'ব। উত্তৰ গুৱাহাটীৰ শ্ৰী শ্ৰী দৌলগোবিন্দ মন্দিৰত পৰহিলৈৰ পৰা ৫ দিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানত পৰহিলৈৰ পৰা দৌল উৎসৱ উদযাপনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। থান পৰিচালনা সমিতিয়ে ১৪ খন উপ-সমিতি গঠন কৰি এই উৎসৱ পৰিচালনাৰ বাবে সাজু হৈছে। উৎসৱৰ প্ৰথম দিনা গন্ধোৎসৱ, ১৪ মাৰ্চত গোসাঁই শিৰত ফাকু দিয়া উৎসৱ আৰু ১৫ মাৰ্চত গোসাঁই ফুৰুৱা কাৰ্যসূচী অনুষ্ঠিত হ'ব। বজালী জিলাৰ ইতিহাস প্ৰসিদ্ধ গোবিন্দপুৰ সত্ৰ প্ৰাংগণত পৰহিলৈৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱ উদযাপন কৰা হ'ব। এই উপলক্ষে পৰহিলৈ সন্ধিয়া নাম প্ৰসংগ, মেযদাহ আদি সম্পন্ন হ'ব। ১৪ মাৰ্চত দৌল পূজা, ১৫ মাৰ্চত দৌল গোবিন্দৰ পূজা অৰ্চনা আৰু ১৬ মাৰ্চত সুঁৱেৰি উৎসৱ উদযাপন কৰা হ'ব।

দৌল উৎসৱৰ লগত সংগতি ৰাখি ধেমাজিৰ মদাৰগুৰি কলিতাগাঁৱৰ ৰাইজৰ সহযোগত ১৪ৰ পৰা ২১ মাৰ্চলৈ সপ্তাহজোৱা কাৰ্যসূচীৰে সদৌ অসম ভাওনা সমাৰোহ আৰু প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

দৌল উৎসৱ উপলক্ষে কামৰূপ মহানগৰ জিলাত ১৫ মাৰ্চত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। সেইদিনা জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান, বিত্তীয় অনুষ্ঠান আদি বন্ধ থাকিব। অৱশ্যে ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন

প্ৰক্ৰিয়া, পৰীক্ষা আৰু আন জৰুৰীকালীন সেৱাত নিয়োজিত বিষয়া, কৰ্মচাৰী আৰু শিক্ষকসকলক স্থানীয় বন্ধৰ আওতাৰ পৰা ৰেহাই দিয়া হৈছে।

০০০০

সোণোৱাল-কছাৰী জনগোষ্ঠীৰ পৰম্পৰাগত খ্ৰীং খ্ৰীং বাইথ’ পূজা ধৰ্মীয় পৰম্পৰা, লোক বিশ্বাস আৰু ৰীতি-নীতিৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি পালন কৰা হৈছে। এই পূজাত সোণোৱাল-কছাৰীসকলে তেওঁলোকৰ আৰাধ্য দেৱতা ভগৱান শিৱৰ প্ৰতি পূজা-অৰ্চনা আগবঢ়ায়। জনবিশ্বাস মতে এই পূজাৰ দ্বাৰা আৰাধ্য দেৱতাগৰাকী সন্তুষ্ট হৈ সমাজৰ পৰা অপায়-অমংগল দূৰ কৰে।

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসন, সোণোৱাল-কছাৰী স্বায়ত্ত শাসিত পৰিষদ আৰু খোৱাং আঞ্চলিক আঠাবাৰী গাঁও খ্ৰীং খ্ৰীং বাইথ’ পূজা উদযাপন সমিতিৰ সহযোগত খোৱাঙৰ বাইথ’ মন্দিৰত আয়োজন কৰা এই পূজাত আজি সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাই অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টিৰে সমৃদ্ধ অসমীয়া জাতিৰ এনে সাতামপুৰুষীয়া কৃষ্টিক সংৰক্ষণ কৰাৰ বাবে প্ৰয়াস চলোৱাটো সকলোৰে দায়িত্ব বুলি উল্লেখ কৰে। অনুষ্ঠানত জাতিটোৰ হকে দীৰ্ঘদিন ধৰি সেৱাই আগবঢ়াই অহা কেইবাগৰাকীও ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।

০০০০

অসমত ৰে’ল সেৱা অধিক সুচল কৰাৰ বাবে বিধানসভাৰ চলিত অধিৱেশনত প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ অসম ৰে’লযাত্ৰী সন্থাই আহ্বান জনাইছে। সন্থাৰ সাধাৰণ সম্পাদক দিপাংকৰ শৰ্মাই এখন প্ৰেছ বিজ্ঞপ্তিযোগে আজি এই বিষয়ে প্ৰকাশ কৰে। কেন্দ্ৰীয় বাজেটত ৰে’লৱে আন্তঃগাঁথনিৰ বাবে বুজন পৰিমাণৰ পুঁজি আৱণ্টন দিয়াৰ বাবে অসম ৰে’লযাত্ৰী সন্থাই কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ জনোৱাৰ কথাও বিজ্ঞপ্তিখনত প্ৰকাশ কৰা হৈছে। ৰে’ল বিভাগে অসমত বিগত সময়ছোৱাত কেইবাখনো অত্যাৱশ্যকীয় ৰে’লৰ সেৱা বাতিল কৰাৰ বিষয়টো সন্থাই বিজ্ঞপ্তিত উল্লেখ কৰে। সন্থাই প্ৰকাশ কৰা মতে কেইবাখনো ৰে’লৰ ষ্টপেজৰ বাবে সকলো দিশ বিবেচনা কৰাৰ পাছত উত্তৰ-পূব সীমান্তৰ ৰে’লৱেৰ প্ৰধান কাৰ্যালয়ে চূড়ান্ত অনুমোদনৰ বাবে কেন্দ্ৰীয় ৰে’লৱে বোৰ্ডলৈ এশৰো অধিক প্ৰস্তাৱ প্ৰেৰণ কৰিছিল যদিও এতিয়াও প্ৰস্তাৱসমূহ বিবেচনা কৰা হোৱা নাই। এই ক্ষেত্ৰত বিষয়টো নিষ্পত্তিৰ বাবে বিধানসভাত প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ সন্থাই আহ্বান জনায়।

০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰেক্ষাপটত উত্তৰ পূৰ্বাঞ্চলৰ ভাষা প্ৰযুক্তি বিষয়ক দুদিনীয়া কৰ্মশালাৰ আজি অন্ত পৰে। কৰ্মশালাখনত উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ভাষাৰ কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰযুক্তিসমূহ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিভংগীৰে ভাৰতীয় ভাষাসমূহক ডিজিটেল বিশ্বত উন্নীতকৰণ আৰু সৰলীকৰণ কৰাৰ ক্ষেত্ৰত পৰ্যালোচনা কৰা হয়। বিশেষকৈ অসমীয়া, বড়ো, নেপালী, মণিপুৰী আৰু ইংৰাজী ভাষাৰ মাজত **নিউৰেল মেচিন অনুবাদ** আৰু ভাৰতীয় ভাষাত কৃত্ৰিম বুদ্ধিমত্তাৰ ওপৰত আগতীয়াকৈ কাম কৰাৰ সন্দৰ্ভত অধিক গুৰুত্ব আৰোপ কৰা হয়। কৰ্মশালাখনত গণনাগত ভাষা বিজ্ঞান আৰু বহুশব্দৰ অভিব্যক্তি আদি সন্দৰ্ভত বিশ্লেষণ আৰু আলোচনা অনুষ্ঠিত হয়। অসমৰ বিশ্ববিদ্যালয়সমূহৰ শিক্ষাৰ্থীসকলৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ শিক্ষা প্ৰতিষ্ঠানৰ গৱেষকসকলে এই কৰ্মশালাত অংশ লয়।

০০০০

বাক্সা জিলাৰ শিমলাগাঁৱত সংঘটিত পথ দুৰ্ঘটনাত নিহত জোৱান মৃগাংক দাসৰ শেষকৃত্য আজি ৰাষ্ট্ৰীয় মৰ্যদাৰে সম্পন্ন কৰা হয়। মৃগাংক দাসে যোৱা বৰ্ষৰ ফেব্ৰুৱাৰীত চি আই এছ এফত যোগদান কৰিছিল। প্ৰশিক্ষণ শেষ হোৱাৰ পাছত ঝাৰখণ্ডত নিযুক্তি লাভ কৰা মৃগাংক দাসে ছুটি লৈ ঘৰলৈ অহাৰ সময়তে বাইক দুৰ্ঘটনাত পতিত হৈ মৃত্যু মুখত পৰে।

০০০০

ডিব্ৰুগড় জিলাৰ লাহোৱালৰ ৰমাইঘাটত কালি ডাইনীৰ সন্দেহত এগৰাকী মহিলাক নিৰ্যাতন চলোৱাৰ গোচৰত আৰক্ষীয়ে ছজন লোকক গ্ৰেপ্তাৰ কৰিছে। ধৃত লোককেইজনৰ ভিতৰত বিনোদ চাংঘা নামৰ এজন তান্ত্ৰিকো আছে বুলি আৰক্ষীয়ে জানিবলৈ দিছে। বিনোদ চাংঘাৰ নেতৃত্বতে এই ঘটনা সংঘটিত হোৱা বুলি অভিযোগ উত্থাপন হৈছে। উল্লেখযোগ্য যে কালি ১ নম্বৰ ৰাজগড় শিঙিমাৰীৰ একাংশ লোকে এগৰাকী মহিলাক ডাইনীৰ সন্দেহত নিৰ্যাতন চলাই নৈত উটুৱাই দিছিল। বৰ্তমান মহিলাগৰাকী অসম চিকিৎসা মহাবিদ্যালয় হস্পাতালত চিকিৎসাধীন হৈ আছে বুলি জানিব পৰা গৈছে।

০০০০

অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ উদ্যোগত আজি গুৱাহাটী মহানগৰীৰ ৰূপনগৰত ২০২৫-২৬ শিক্ষাবৰ্ষৰ বাবে বিনামুলীয়া হিন্দী পাঠ্যপুথি বিতৰণ কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। অসম ৰাজ্যিক পাঠ্যপুথি প্ৰনয়ন আৰু প্ৰকাশন নিগমৰ অধ্যক্ষ দেবানন্দ হাজৰিকাই পতাকা জোকাৰি এই কাৰ্যসূচী মুকলি কৰে। উল্লেখযোগ্য যে চলিত বৰ্ষত ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ অধীনত অধ্যয়নৰত প্ৰায় ২৩ লাখ শিক্ষাৰ্থীৰ বাবে হিন্দী পাঠপুথি প্ৰেৰণ কৰা হ'ব। আজিৰ এই কাৰ্যসূচীৰ জৰিয়তে ৮ টা খণ্ডলৈ কিতাপ প্ৰেৰণ কৰা হৈছে। অহা ২৭ মাৰ্চৰ পূৰ্বে ৰাজ্যৰ প্ৰতিখন জিলালৈ এই পাঠ্যপুথি প্ৰেৰণ কৰা হ'ব বুলি অধ্যক্ষ শ্ৰীহাজৰিকাই জানিবলৈ দিয়ে।

০০০০

ঃঃ সমাপ্ত ঃঃ